Total No. of Printed Pages—4

**4 SEM FYUGP ASMC4B**

**2025**

( June )

ASSAMESE

( Core )

Paper : ASMC4B

**( ভাৰতীয় আৰ্যভাষাৰ পৰিচয়মূলক ইতিহাস )**

*Full Marks* : 60

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। চমুকৈ উত্তৰ দিয়াঁ (যি কোনো ছটা) : ১×৬=৬

(ক) আৰ্যসকলে ভাৰতবৰ্ষত পোনপ্ৰথমে ক'ত বসতি আৰম্ভ কৰিছিল ?

(খ) ঋক্‌বেদৰ ভাষা কি ?

(গ) 'শৃংগাৰশতক' কোনে ৰচনা কৰিছিল ?

(ঘ) 'খোটানী ধম্মপদ' কোন সময়ৰ ৰচনা ?

(ঙ) সংস্কৃত নাটকৰ গীতৰ ভাষা কি ?

(চ) 'গাহাসত্তসঈ'ৰ সংগ্ৰাহক কোন ?

(ছ) 'সন্দেশ ৰাসক' কোন ভাষাৰ পুথি ?

(জ) অসমীয়া ভাষাটো নব্য-ভাৰতীয় আৰ্যভাষাৰ কোনটো শাখাৰ অন্তৰ্গত ?

২। (ক) ভাৰতলৈ আৰ্যসকলৰ আগমন আৰু বসতি-বিস্তাৰ সম্পৰ্কে এটি টোকা লিখাঁ। ১০

*অথবা*

(খ) ভাৰতীয় আৰ্যভাষাৰ বিভিন্ন স্তৰ-উপস্তৰ সামৰি বিকাশৰ বিষয়ে লিখাঁ।

৩। অসমীয়ালৈ অনুবাদ কৰাঁ (যি কোনো চাৰিছোৱা) : ৩×৪=১২

(ক) অগ্নিমীলে পুৰোহিতং যজ্ঞস্য দেৱমৃত্বিজং হোতাৰং ৰত্নধাতমম্ ।।

(খ) সাহিত্য সংগীতকলা ৱিহীনঃ সাক্ষাৎপশুঃ
পুচ্ছবিষাণহীনঃ ।
তৃণং ন খাদন্নপি জীৱমানস্তদভাগধেয়ং পৰমং পশূনাম ।।

(গ) বহুকং হি দোসং সমাজম্হি পস্তি দেৱানং প্ৰিয়ো প্ৰিয়দসি ৰাজা ।

(ঘ) সে অজ্জ যদা অয়ং ধংম্ম লিপি লিখিতাতী এব প্ৰাণা আৰভৰে সুপাথায়— দ্বো মোৰা, একো মগো। স পি মগো ন ধ্রুৰো।

(ঙ) এতং বিসেসতো ঞত্বা অপ্‌পমাদম্হি পণ্ডিতা।
অপ্‌পমাদে পমোদন্তি অৰিয়ানং গোচৰে ৰতা।।

(চ) সত্ত সতাইং কইৰচ্ছলেণ কোৰ্ডীঅ মজ্‌ঝআৰম্মি।
হালেন বিৰই-আইং সালকাবাণং গাহাণং।।

(ছ) মানুস্‌স দিব বিজ্জাহৰেহি
নহমগ্‌গি ঘূৰ সসিবিম্বে।
আত্ৰহি জো নমিজ্জই
তংনয়ৰে নমহ কতাৰং।।

৪। (ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ লিখাঁ। ১০

*অথবা*

(খ) প্ৰাচীন ভাৰতীয় আৰ্যভাষা অধ্যয়নৰ সমলসমূহৰ বিষয়ে এটি টোকা লিখাঁ।

৫। (ক) মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰত্যেকটো স্তৰৰ সাহিত্যিক নিদৰ্শনসমূহৰ বিষয়ে এটি নিবন্ধ প্ৰস্তুত কৰাঁ। ১২

*অথবা*

(খ) পালি ভাষাৰ ভাষিক বৈশিষ্ট্যসমূহ লিখাঁ।

৬। (ক) নব্য-ভাৰতীয় আৰ্যভাষা কাক বোলে? নব্য-ভাৰতীয় আৰ্যভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ লিখাঁ। ২+৮=১০

*অথবা*

(খ) নব্য-ভাৰতীয় আৰ্যভাষাৰ শাখা-প্ৰশাখাসমূহ দেখুৱাই এটি পৰিচয়মূলক টোকা লিখাঁ। ১০

★★★